**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-03-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসমকে ধৰি ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন আজি ঘোষণা কৰা হৈছে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এখন সংবাদমেলত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে অহা ২৩ মাৰ্চ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব আৰু ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ২৮ মাৰ্চত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৪ মে'ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

উল্লেখযোগ্য যে ৰাজ্যত এইবাৰ দুই কোটি ৫০ লাখ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰ ভিতৰত এক কোটি ২৫ লাখ পুৰুষ, এক কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ জন তৃতীয় লিংগৰ ভোটদাতা আছে। ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়া বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ আৰু অনন্য ব্যৱস্থা বুলি উল্লেখ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে অসমৰ বিভিন্ন দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰলৈ প্ৰতিকূল পৰিস্থিতিৰ মাজত নিৰ্বাচনী বিষয়াসকলে যাত্ৰা কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ নিৰ্বাচনী বিষয়াসকলে মাজুলীৰ পৰা প্ৰায় ৫০-৬০ কিলোমিটাৰ দূৰত্ব ফেৰী আৰু ট্ৰেক্টৰেৰে অতিক্ৰম কৰি ২৪৮ গৰাকী ভোটদাতা থকা অতি পিছপৰা ধনেখনা ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হোৱাৰ কথা উল্লেখ কৰে।

এই সংবাদমেলতে আজি পশ্চিমবংগ, তামিলনাডু, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ সময়সূচীও ঘোষণা কৰা হয়। নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছতে আটাইকেইখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিৰ্বাচনী আঁচৰণবিধি বলৱৎ হৈছে বুলি শ্ৰী কুমাৰে প্ৰকাশ কৰে।

*(বাইট)*

০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন দলে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। আম আদমী পাৰ্টীয়ে আজি ১৪টা সমষ্টিৰ বাবে প্ৰথম আৰু চূড়ান্ত প্ৰাৰ্থী তালিকা ঘোষণা কৰে।

কংগ্ৰেছ দলে কালি নিশা দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। কংগ্ৰেছে ২৩টা সমষ্টিত দলীয় প্ৰাৰ্থী দিয়াৰ লগতে ১৫টা সমষ্টি মিত্ৰদললৈ এৰিছে। কংগ্ৰেছে ভৱানীপুৰ-সৰভোগ, বজালী, পলাশবাৰী, মধ্য গুৱাহাটী, গোৰেশ্বৰ, মৰিগাঁও, বঢ়মপুৰ, বিন্যাকান্দি, বিহালী, শদিয়া, ডিব্ৰুগড়, খোৱাং, সৰুপথাৰ, ডিফু আৰু আম্ৰী সমষ্টি মিত্ৰদলৰ বাবে এৰি দিছে। ইয়াৰে ১১টা সমষ্টিত অসম জাতীয় পৰিষদ, দুটা সমষ্টিত এ পি এইচ এল চি আৰু দুখন আসনত চি পি আই এম এলৰ প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব আগবঢ়াব। কংগ্ৰেছে ইয়াৰ পূৰ্বে ৪২টা

সমষ্টিৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছিল। বিজেপিয়ে ১৮ মাৰ্চত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ কথা।

ইপিনে, বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিভিন্নজনৰ অন্যান্য দলত যোগদান তথা দল ত্যাগ অব্যাহত আছে। ইউ পি পি এল দলৰ উপ-সভাপতি তথা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই আজি ইউ পি পি এলৰ দলৰ প্ৰাথমিক সদস্যপদ ত্যাগ কৰে।

০০০০

২০২৭ বৰ্ষৰ পদ্ম বঁটাসমূহৰ বাবে চৰকাৰে মনোনয়ন আৰু পৰামৰ্শৰ বাবে আহ্বান জনাইছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে অহা বছৰৰ গণৰাজ্য দিৱসৰ দিনা পদ্ম বঁটাসমূহ ঘোষণা কৰা হ'ব। অহা ৩১ জুলাই পদ্ম বঁটাৰ বাবে মনোনয়নৰ অন্তিম দিন। এই বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শ কেৱল ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৰ্টেলৰ যোগেদিহে গ্ৰহণ কৰা হ'ব বুলি বিবৃতিটোত কোৱা হৈছে। লিংগ, জাতি, ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে এই বঁটাৰ বাবে মনোনয়ন দাখিল কৰিব পাৰিব। অৱশ্যে চিকিৎসক আৰু বিজ্ঞানীৰ বাহিৰে, ৰাজহুৱা খণ্ডৰ অধীনৰ কৰ্মচাৰীকে ধৰি চৰকাৰী কৰ্মচাৰীসকলে এই বঁটাৰ বাবে মনোনয়ন দাখিল কৰিব নোৱাৰিব। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী হৈছে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহৰ অন্যতম। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজ সেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, ৰাজহুৱা পৰিক্ৰমা, অসামৰিক সেৱা তথা বাণিজ্য আৰু উদ্যোগকে ধৰি বিভিন্ন খণ্ডত উল্লেখনীয় সেৱা আগবঢ়োৱা লোকসকলক তেওঁলোকৰ কামৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হয়।

০০০০

বজালীৰ বিশিষ্ট লেখক কামিনী মোহন শৰ্মাই ৰচনা কৰা তিনিখন গ্ৰন্থ আজি পাঠশালাৰ হৰিপুৰ ভৱনত আয়োজিত এটা কাৰ্যসূচীত উন্মোচন কৰা হয়। **সুবুং খুংথাই আৰৌ সুলৌংথাই, অৰণ্যৰ ইপাৰ-সিপাৰ** আৰু **কথা আৰু কবিতাৰে জুবিন** শীৰ্ষক গ্ৰন্থকেইখনৰ উন্মোচনী অনুষ্ঠানত সাহিত্য একাডেমী অনুবাদ বঁটা প্ৰাপক লেখক গোবিন্দ নাৰ্জাৰী, বিশিষ্ট লেখক ডাঃ মানিক লাল ভৌমিক আৰু কবি প্ৰদীপ শৰ্মা উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শ্ৰীনাৰ্জাৰীয়ে গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰি কয় যে গ্ৰন্থ অধ্যয়নে জাতিক সমৃদ্ধ কৰে আৰু সকলো লোকে অধ্যয়ন কৰাটো অভ্যাস হিচাপে গঢ়ি তোলা উচিত। অনুষ্ঠানৰ আৰম্ভণিতে শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা জনোৱা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ